# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 13-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

অসম চৰকাৰে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে দেখুওৱা আৰ্হি অনুসৰি ৰাজ্যখনত ১৭ খন একলব্য আদৰ্শ আৱাসিক  বিদ্যালয় শীঘ্ৰে নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে এই বিদ্যালয় স্থাপনৰ বাবে ৫০ শতাংশতকৈ অধিক অনুসূচীত জনজাতিৰ লোক থকা খণ্ডসমূহ বাচনি কৰা হৈছে। এই বিদ্যালয়সমূহ বাক্সা জিলাৰ দলবাৰী,  জালাহ আৰু সৰুপেটা, বৰপেটাৰ খৰাধৰা, কাৰ্বি আংলঙৰ হাওৰাঘাট আৰু চিলনিজান, পশ্চিম কাৰ্বি আংলঙৰ দংকা, গোৱালপাৰাৰ দুধনৈ, কামৰূপৰ বকো, ওদালগুৰিৰ খৈৰাবাৰী,  কোকৰাঝাৰৰ বেদলাংমাৰি, ডিমা হাচাওৰ আৰদাওপুৰ, মাহুৰ আৰু হাৰাঙ্গাজাওত স্থাপন কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে। ০০০০

০০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ অধীনত শিক্ষা নবিচ হিচাপে নিযুক্ত হবলৈ ইচ্ছুক যুৱক-যুৱতীসকলৰ বাবে কালি বিয়লি পাচ বজাৰ পৰা pm internship.mca.gov.in পোৰ্টেল মুকলি কৰা হৈছে। এই পোৰ্টেলত এতিয়ালৈকে ১৯৩ টা কোম্পানীয়ে ৯০ হাজাৰ ৮৪৯ টা ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। যুৱক-যুৱতীসকলক ২৪ টা ক্ষেত্ৰত ইণ্টাৰ্ণশ্বিপৰ বাবে সুবিধা আগবঢ়োৱা হৈছে। কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, চলিত বিত্তীয় বৰ্ষত এক লাখ ২৫ হাজাৰ প্ৰাৰ্থীক এই আঁচনিৰ দ্বাৰা সামৰি লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে লক্ষ্য লৈছে। এই পোৰ্টেলত সম্প্ৰতি অপাৰেছন মেনেজমেণ্ট, উৎপাদন, ব্যৱস্থাপনা, বিক্ৰী আৰু বিপননকে ধৰি বিভিন্ন ক্ষেত্ৰত ইণ্টাৰ্ণশ্বিপৰ সুযোগ দিয়া হৈছে। দেশৰ মুঠ ৭৩৭ খন জিলাত এই আঁচনিৰ সুযোগ প্ৰদান কৰা হব। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই আঁচনিৰ কথা ঘোষণা কৰিছিল। ইয়াৰ অধীনত ২১ ৰ পৰা ২৪ বছৰ বয়সৰ ভিতৰত এক কোটি প্ৰাৰ্থীক ৫ বছৰৰ  ভিতৰত কৰ্মসংস্থাপন যোগ্য কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। প্ৰাৰ্থীসকলে ১২ মাহৰ বাবে মাহিলী ৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আৰু ৬ হেজাৰ টকাকৈ এককালিন অনুদান লাভ কৰিব। কেন্দ্ৰীয় চৰকাৰে যোৱা ৩ অক্টোবৰত এই পোৰ্টেলটো মুকলি কৰিছিল। এই প্ৰকল্পৰ অধীনত ২ ডিচেম্বৰৰ পৰা ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী আৰম্ভ হ'ব। ০০০

০০০০

অসম চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে

অসমৰ জনসাধাৰণে অসমীয়া ভাষাক দিয়া যথাযোগ্য স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰী মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

অসমৰ দিতিমণি সোণোৱাল আৰু সুদিত্য বৰুৱাই হিমাচল প্ৰদেশত চলি থকা আই ডব্লিউ এল এফ জুনিয়ৰ যুৱ আৰু ছিনিয়ৰ ৰাষ্ট্ৰীয় ভাৰোত্তোলন প্ৰতিযোগিতাত সোণ আৰু ৰূপৰ পদক অৰ্জন কৰিছে। আজি নিশা সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত অসমে এতিয়ালৈ ৫টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৪টা পদক লাভ কৰিছে। পুৰুষৰ ৮৯ কিলোগ্ৰাম শাখাত সুদিত্য স্নেচত ১৪০ কেজি, ক্লিন এণ্ড জাৰ্কত ১৭৫ কেজিসহ মুঠ ৩১৫ কিলোগ্ৰাম ভাৰোত্তোলনেৰে সোণৰ পদক অৰ্জন কৰে। একেদৰে দিতিমণিয়ে মহিলাৰ ৬৪ কিলোগ্ৰাম শাখাত মুঠ ২১০ কিলোগ্ৰাম ভাৰোত্তোলন কৰি ৰূপৰ পদক অৰ্জন কৰে। অসমৰ সংগীতা সাদানিধৰে জুনিয়ৰ ছোৱালীৰ ৭৬ কিলোগ্ৰাম শাখাত ৰূপ, চাণক্য বৰাই ১০২ কিলোগ্ৰাম যুৱ শাখাত ব্ৰঞ্জ আৰু ভাৱনা গগৈয়ে ৫৯ কিলোগ্ৰাম যুৱ শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত আজি ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ভাৰতক জয়ৰ বাবে ১৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

নিউজিলেণ্ডৰ হাতত পৰাজিত ভাৰতৰ বাবে আজিৰ খেলখন অতিকে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ভাৰত আৰু নিউজিলেণ্ড গ্ৰুপ এৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানৰ দৌৰত আছে। দুয়োটা দলে ৪ পইণ্টতকৈ লাভ কৰিছে যদিও নিউজিলেণ্ড গড় ৰাণৰ হাৰৰ ভিত্তিত ভাৰততকৈ পিছত আছে। গ্ৰুপ বিত দক্ষিণ আফ্ৰিকা ৬ পইণ্টেৰে তালিকাৰ শীৰ্ষত আৰু ৱেষ্টইণ্ডিজ ৪ পইণ্টেৰে দ্বিতীয় স্থানত আছে।

আনহাতে, বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ডে-স্কটলেণ্ডৰ বিৰুদ্ধে ১০ উইকেটত  জয়লাভ কৰে।

০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০

সমাপ্ত